৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

ধৰি
…’ল
…্য।
…টʼন

# অসম আদিত্য

RNI REGN. No. : AS…
epaper.asom…
Portal : www.as…
e-mail : asomad…

২১ জেঠ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ৫ জুন, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, June 5, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

স্বা…
তুলসীত থকা এ…
হৃদ-ধমনীয় …
আৰু প্ৰতিৰোধত…
তেজৰ লিপিড, উ…
কৰাত সহ…

## কানৈ মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱসৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ৪ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয়ে (স্বায়ত্তশাসিত) সকলো দল-সংগঠন-ব্যক্তিক প্ৰকৃতিক ভালপোৱাৰ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনাইছে। এনে দিৱসৰ অংশ হিচাপে মহাবিদ্যালয়খনে এই বছৰ এক ব্যতিক্ৰমী কাৰ্যসূচী হিচাপে গছে গছে ‘কিউ আৰ কʼড’ অভিযান পালন কৰিব আৰু সকলো দল-সংগঠন, ব্যক্তিক এনে ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এইবছৰ মহাবিদ্যালয় চৌহদৰ প্ৰতিজোপা গছত কিউ আৰ কʼড সংযুক্ত কৰাৰ ব্যৱস্থা কৰিছে, যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে যিকোনো ব্যক্তিয়ে স্কেন কৰিলে সেই গছজোপাৰ বিষয়ে তথ্য লাভ কৰিব পাৰে। প্ৰতিজোপা গছ-গছনিৰ নাম সকলোৱে জানিব পৰাকৈ গছ-গছনিক প্ৰযুক্তিৰ মাধ্যমেৰে চিনাক্ত কৰি প্ৰত্যেক জোপা গছত ‘কিউ আৰ কʼড’ লগাই গছ-বিৰিখক ভালপোৱাৰ আন্দোলনত ভাগ লʼবলৈ আহ্বান জনাইছে মহাবিদ্যালয়খনে। এক প্ৰেছ বিবৃতিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জনায় যে — এনে ‘কিউ আৰ কʼডʼৰ যোগেদি গছ-গছনিৰ নামাকৰণ কৰিলে উঠি অহা প্ৰজন্মক প্ৰকৃতিক ভালপোৱাৰ অনুপ্ৰেৰণা যোগাব পাৰে। কিউ আৰ কʼডত সংযোগকাৰী ব্যক্তিৰ নাম, ঠিকনা, প্ৰকৃতিক ভালপোৱাৰ বাণী সংযোগ কৰিব পাৰিলে মʼবাইলৰ যোগেদি অনুসন্ধিৎসু লোকে স্কেন কৰি গছজোপাৰ বিষয়ে জানিব পাৰিব আৰু প্ৰকৃতিক ভালপোৱাৰ বাণী সম্পৰ্কে অৱগত হʼব। কানৈ মহাবিদ্যালয়ে এই ব্যতিক্ৰমী কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ চৌহদত থকা গছ-গছনিক কিউ আৰ কʼডৰ সংযোজন কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। প্ৰতিজোপা গছত কিউ আৰ কʼড সংযোজন কৰি গছজোপাৰ বৈজ্ঞানিক নাম, থলুৱা নামৰ লগতে গছজোপাৰ বিষয়ে ব্যাখ্যাও আগবঢ়োৱাৰ কাৰ্যসূচী লৈছে। আনহাতে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়খনৰ চৌহদত ‘গ্ৰীন কৰ্নাৰ’ শীৰ্ষক এক ‘গ্ৰীন ছেলফি স্পটʼৰো ব্যৱস্থা কৰিছে। মহাবিদ্যালয় চৌহদত থকা কেইবাটাও জিৰণি ঘৰত স্থায়ীকৈ ‘বিশ্ব পৰিৱেশ দিৱস’, ‘বিশ্ব জৈৱ বৈচিত্ৰ দিৱস’ আদি নামাকৰণ কৰি প্ৰকৃতিক ভালপোৱাৰ এক নিৰৱ আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস চলাইছে। এই জিৰণি ঘৰসমূহত যিসকলে জিৰণি লয় সেইসকলে যাতে সেই মুহূৰ্তটোত প্ৰকৃতিক ভালপোৱাৰ, পৰিৱেশক ভালপোৱাৰ অনুভৱ কৰিব পাৰে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ে ‘কোনো দেওবাৰ, বন্ধদিন আনকি বিশ্বত বিভীষিকাৰ সৃষ্টি কৰা কʼভিডকালীন সময়তো এদিনো নোবোৱাকৈ প্ৰকৃতিক ভালপোৱাৰ আন্দোলনৰ অংশ হিচাপে ‘গ্ৰীন ক্লাবʼৰ উদ্যোগত মহাবিদ্যালয়খন পুৱা ৪ বজাৰ পৰা ৭ বজালৈ পৰিস্কাৰ, পৰিচ্ছন্ন কৰি আহিছে। ইতিমধ্যে মহাবিদ্যালয়খনত চলি অহা এনে কাৰ্যসূচী ৪,০৬৪ দিন অতিক্ৰম কৰিছে। এই সময়ছোৱাত কোনো ৰʼদ-বৰষুণৰ দিনটো এদিনো স্তব্ধ হোৱাৰ উদাহৰণ নাই। মহাবিদ্যালয়খনৰ এনে ব্যতিক্ৰমী কাৰ্যসূচীক সন্মান জনাই বিভিন্ন চৰকাৰী, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে মহাবিদ্যালয়খনক ‘পৰিস্কাৰ মহাবিদ্যালয়’, ‘ধূমপানমুক্ত মহাবিদ্যালয়’, ‘স্বচ্ছ মহাবিদ্যালয়’ হিচাপে স্বীকৃতি দিছে।